লাখ কোটিৰো অধিক টকাৰ ব্যৱস্থা কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে কৈছে যে, যোৱা ১০ জুন পৰ্যন্ত ৰাজ্যসমূহলৈ কৰ হস্তান্তৰৰ অংশ হিচাপে ২ লাখ ৭৯ হাজাৰ কোটিৰো অধিক টকা প্ৰদান কৰা হৈছে।

০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক পৰৱৰ্তী শৈক্ষিক বৰ্ষৰ পৰা বছৰি দুবাৰকৈ শিক্ষাৰ্থীৰ নামভৰ্তিৰ অনুমতি প্ৰদানৰ বাবে নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰে পৰা জানুৱাৰী-ফেব্ৰুৱাৰী আৰু জুলাই-আগষ্টত নামভৰ্তি হব। বৰ্তমান বিশ্ববিদ্যালয় অনুদান আয়োগে এবছৰত এটা শৈক্ষিক সত্ৰত নাম ভৰ্তিৰ অনুমতি প্ৰদান কৰে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ প্ৰফেছৰ এম জগদীশ কুমাৰে কৈছে যে, এই সিদ্ধান্তই দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণা কৰাত বিলম্ব হোৱা, স্বাস্থ্যজনিত আৰু ব্যক্তিগত কাৰণত বাবে নামভৰ্তি কৰিব নোৱাৰা শিক্ষাৰ্থীসকলক উপকৃত কৰিব।

০০০

বিজেপিৰ জ্যেষ্ঠ বিধায়ক মোহন চৰণ মাঝি ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হব। কেন্দ্ৰীয় পৰ্যবেক্ষক তথা কেন্দ্ৰীয় মন্ত্ৰীদ্বয় ৰাজনাথ সিং আৰু ভূপেন্দৰ য়াদৱৰ উপস্থিতিত বিজেপিৰ বিধায়িনী দলে ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে নিজৰ নেতা হিচাপে নিৰ্বাচিত কৰে। মোহন চৰণ মাঝি ২০০০, ২০০৪, ২০১৯ আৰু ২০২৪ ত মুঠ চাৰিবাৰকৈ কেওঝাৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈছে। বিজেপিয়ে কনক বৰ্ধন সিং দেও আৰু প্ৰভাতী পাৰিদাক উপ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰে। প্ৰাক্তন মন্ত্ৰী শ্ৰীসিং দেওৱে পাটনাগড় সমষ্টিক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে শ্ৰীমতী পাৰিদাই প্ৰথমবাৰৰ বাবে নিমাপাৰা সমষ্টিৰ পৰা নিৰ্বাচিত হৈছে। বিজেপিৰ নৱ নিৰ্বাচিত বিধায়িনী দলৰ নেতা তথা নিৰ্বাচিত মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আজি সন্ধিয়া ৰাজ্যপাল ৰঘুবৰ দাসক সাক্ষাৎ কৰি ওড়িশাত পৰৱৰ্তী চৰকাৰ গঠনৰ বাবে দাবী জনোৱাৰ কথা আছে।

ভূবনেশ্বৰৰ জনতা ময়দানত কাইলৈ সন্ধিয়া ৰাজ্যৰ নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী আৰু নতুন মন্ত্ৰী পৰিষদে শপত গ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিদায়ী মুখ্যমন্ত্ৰী নবীন পাটনায়কৰ লগতে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্যসকলে শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০

কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ বিষয়াক লৈ গঠিত এটা আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ কেন্দ্ৰীয় দলে মণিপুৰৰ সেনাপতি জিলাত ৰিমাল ঘূৰ্ণিবতাহৰ প্ৰভাৱত হোৱা শিলাবৃষ্টি, বানত হোৱা ক্ষয় ক্ষতিৰ আজি মূল্যায়ন কৰে। দলটোৱে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বিভিন্ন ঠাই পৰিদৰ্শন কৰে আৰু ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰে।

০০০

মালাৱিৰ ৰাষ্ট্ৰপতি লাজাৰুছ চাকবেৰাই কৈছে যে, উপ ৰাষ্ট্ৰপতি চাউলচ চিলিমাসহ ৯ গৰাকী লোক কঢ়িয়াই নিয়া বিমানখন দুৰ্ঘটনাত পতিত হোৱাৰ ফলত আটাইকেইজনৰেই মৃত্যু হৈছে।

উল্লেখযোগ্য যে, উপ ৰাষ্ট্ৰপতিৰ লগতে আন আৰোহীসহ সেনা বাহিনীৰ বিমানখন কালি সন্ধানহীন হৈছিল। সেনাধ্যক্ষ পল ভেলেন্টিন ফিৰিয়ে কৈছে যে, বেয়া বতৰৰ ফলতেই বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

